ৰাজনীতি


BJP-RSSক ‘জাতিবাদী পুৰুষতান্ত্রিক’ আখ্যা ৰাহুল গান্ধীৰ, অর্ধনাৰীশ্বৰ মূর্তিৰ ছবি শ্বেয়াৰ কৰি সমালোচনা

অর্ধনাৰীশ্বৰৰ ছবি সামাজিক মাধ্যমত প্রকাশ কৰি বিজেপি আৰু আৰএছএছক তীব্র সমালোচনা কৰিলে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে।

প্রকাশ: ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৮



নতুন দিল্লী, ২২ নৱেম্বৰ: বিজেপি আৰু আৰএছএছক তীব্র সমালোচনা কৰিছে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে। দেওবাৰে সামাজিক মাধ্যমত অর্ধনাৰীশ্বৰ ৰূপৰ শিৱ-পার্বতীৰ মূর্তিৰ ছবি প্রকাশ কৰি তেওঁ বিজেপি আৰু আৰএছএছক ‘অসভ্য, লোভী, জাতিবাদী আৰু পুৰুষতান্ত্রিক’ বুলি অভিহিত কৰে।



Rahul Gandhi post on 'X'

সামাজিক মাধ্যমত দিয়া এটা বার্তাত ৰাহুল গান্ধীয়ে উল্লেখ কৰে যে ভাৰতীয় আধ্যাত্মিক আৰু ধর্মীয় পৰম্পৰাৰ গভীৰতালৈ যোৱাৰ লগে লগে তেওঁৰ উপলব্ধি অধিক স্পষ্ট হৈ উঠিছে। তেওঁ অভিযোগ কৰে যে বিজেপি আৰু আৰএছএছৰ ভাৰতীয় আধ্যাত্মিক তথা ধর্মীয় পৰম্পৰাৰ বিষয়ে কোনো বোধ নাই। পোষ্টটোৰ সৈতে তেওঁ অর্ধনাৰীশ্বৰ ৰূপৰ এটা ভাস্কর্যৰ ছবি প্রকাশ কৰে। হিন্দু ধর্মীয় পৰম্পৰাত অর্ধনাৰীশ্বৰ হৈছে শিৱ আৰু পার্বতীৰ একত্রিত ৰূপ, য'ত মূর্তিটোৰ এটা অংশ পুৰুষ আৰু আনটো অংশ নাৰীৰ প্রতীক।

মাতৃ ছোনিয়া গান্ধীৰ স্মৃতিগ্রন্থ ‘Belonging: A Journey Of Love’ উন্মোচনী অনুষ্ঠানত পিতৃ-মাতৃৰ সম্পর্কক লৈ কৰা মন্তব্যৰ বাবে কংগ্রেছ নেতাগৰাকীয়ে শেহতীয়াকৈ সমালোচনাৰ সন্মুখীন হৈছিল। শৈশৱৰ স্মৃতি ৰোমন্থন কৰি তেওঁ কৈছিল যে পিতৃ-মাতৃয়ে একেলগে আহাৰ গ্রহণ কৰাৰ সময়ত মাতৃয়ে পিতৃৰ কোলাত বহিছিল।

ৰাহুল গান্ধীৰ এই মন্তব্যক লৈ বিজেপি নেতাসকলে তেওঁক তীব্র কটাক্ষ কৰিছিল। অসমৰ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মায়ো সামাজিক মাধ্যমত এটা পোষ্টযোগে কংগ্রেছ নেতাগৰাকীক সমালোচনা কৰে।

ইয়াৰ পূর্বে ৰাহুল গান্ধীয়ে শিৱৰ কোলাত বহি থকা পার্বতীৰ দ্বাদশ শতিকাৰ মন্দিৰ ভাস্কর্যৰ এখন ছবিও প্রকাশ কৰিছিল। তেওঁ কৈছিল যে ভয়, ঘৃণাই বিজেপি আৰু আৰএছএছৰ সমর্থকসকলৰ মনত এক জাল সৃষ্টি

কৰিছে, যাৰ ফলত তেওঁলোকে প্ৰেম প্ৰকাশ কৰিব পৰা নাই। এজন প্ৰকৃত হিন্দু হিচাপে সেই জালৰ পৰা তেওঁলোকক মুক্ত কৰাটো নিজৰ কৰ্তব্য বুলিও ৰাহুলে মন্তব্য কৰে।

কংগ্ৰেছ দলেও সামাজিক মাধ্যমত ৰাহুল গান্ধীৰ মন্তব্যক সমৰ্থন জনায়। দলটোৱে কয় যে প্ৰেম লুকুৱাই ৰখাৰ বিষয় নহয়, মৰম দুৰ্বলতা নহয় আৰু সমতা আৰম্ভ হয় জীৱনসংগীক সমান মৰ্যাদা দিয়াৰ পৰা। এই ঘটনাক কেন্দ্ৰ কৰি বৰ্তমান বিজেপি আৰু কংগ্ৰেছৰ মাজত তীব্ৰ ৰাজনৈতিক বাকযুদ্ধ অব্যাহত আছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5313/rahul-gandhi-criticises-bjp-rss-ardhanarishvara